**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভূবনেশ্বৰৰ জনতা ময়দানত **উৎকৰ্ষ ওড়িশা-মেক ইন ওড়িশা** সন্মিলন উদ্বোধন কৰিব।

২। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে উত্তৰাখণ্ডৰ ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ষ্টেডিয়ামত আজি ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব।

৩। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আবু ধাবিত হ'বলগীয়া ৰাইচিনা মধ্যপ্ৰাচ্যৰ উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰিব।

৪। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টি-টুৱেণ্টি শৃংখলাৰ তৃতীয়খন খেল আজি গুজৰাটৰ ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত খেলোৱা হ'ব। **আৰু**

৫। আই চি চি-ৰ ১৯ বছৰ অনূৰ্ধ মহিলা টি-টুৱেণ্টি ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতাত যোৱাবাৰৰ বিজয়ী ভাৰত আজি ছুপাৰ ছিক্স পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভূবনেশ্বৰৰ জনতা ময়দানত **উৎকৰ্ষ ওড়িশা-মেক ইন ওড়িশা** সন্মিলন উদ্বোধন কৰিব। এয়া হ'ব এই মাহত শ্ৰীমোদীৰ দ্বিতীয়টো ওড়িশা ভ্ৰমণ। চলিত জানুৱাৰী মাহৰ ৯ তাৰিখে ভূবনেশ্বৰৰ জনতা ময়দানতে শ্ৰীমোদীয়ে প্ৰবাসী ভাৰতীয় দিৱস উদযাপনতো অংশগ্ৰহণ কৰিছিল।

কেন্দ্ৰৰ পূৰ্বোদয় দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ লগতে ওড়িশাক দেশৰ অন্যতম ঔদ্যোগিক কেন্দ্ৰৰূপে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যেৰে ওড়িশা চৰকাৰৰ উদ্যোগত **উৎকৰ্ষ ওড়িশাৰ** আয়োজন কৰা হৈছে। ওড়িশা মুখ্যমন্ত্ৰী মোহন চৰণ মাঝী, কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম, ধৰ্মেন্দ্ৰ প্ৰধান আৰু অশ্বিনী বৈষ্ণৱৰ লগতে বহু জ্যেষ্ঠ বিষয়-ববীয়া তথা বিনিয়োগকাৰী এই সন্মিলনত অংশ লোৱাৰ কথা। এই সন্মিলনত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ লগতে ১২ খন ৰাষ্ট্ৰৰ প্ৰতিনিধি তথা বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰিব। ইতিমধ্যে প্ৰায় ৭ হাজাৰ ৫০০ প্ৰতিনিধিয়ে ৱেবছাইটৰ জৰিয়তে তেওঁলোকৰ নাম পঞ্জীয়ন কৰিছে। ১০০ৰো অধিক বিনিয়োগৰ চুক্তি স্বাক্ষৰ হ'বলগীয়া দুদিনীয়া এই সন্মিলনৰ জৰিয়তে ৩ লাখ ৫০ হাজাৰ নিয়োগ সৃষ্টি আৰু ৫ লাখ কোটিৰো অধিক টকাৰ বিনিয়োগ হ'ব বুলি আশা কৰা হৈছে। চতুৰ্থবাৰলৈ আয়োজন কৰা এই সন্মিলনত প্ৰথমবাৰলৈ দেশৰ প্ৰধানমন্ত্ৰী অংশ লোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰৰ সন্মিলন যথেষ্ট গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। সন্মিলনখনে ওড়িশাত শক্তিশালী ঔদ্যোগিক আন্তঃগাঁথনি সৃষ্টিৰ লগতে ৰাজ্যখনক ২০৩৬ চনৰ ভিতৰত দেশৰ শীৰ্ষ ৫ খন অৰ্থনীতিৰ ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰাখণ্ডৰ ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ষ্টেডিয়ামত আজি ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, ভাৰতীয় অলিম্পিক সন্থাৰ বিষয়ববীয়া তথা ৰাষ্ট্ৰীয় খেলুৱৈ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিব। ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি ঊষা কালিয়েই ডেৰাডুনত উপস্থিত হৈছে।

আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি উদ্বোধনী কাৰ্যসূচীৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। উত্তৰাখণ্ডৰ ৮ খন জিলাৰ ১১ খন চহৰত অহা ফেব্ৰুৱাৰী মাহৰ ১৪ তাৰিখলৈ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ খেলসমূহ খেলোৱা হ'ব। প্ৰতিযোগিতাত ৩৫ বিধ খেলৰ মুঠ ৪৭টা ইভেণ্ট থাকিব। আজিৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ দুই তাৰকা আন্তৰ্জাতিক ক্ৰীড়াবিদ মহিলা শ্বাটলাৰ অস্মিতা চলিহা আৰু পুৰুষ উশ্বু খেলুৱৈ চানমা ব্ৰহ্মই অসম দলৰ ধবজা বহন কৰিব। অসম অলিম্পিক সন্থাৰ হৈ সম্পাদক লক্ষ্য কোঁৱৰে উদ্বোধনী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে ভাগ ল'ব। এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে মুঠ ২২ বিধ খেলত অংশ ল'ব।

ooooo

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আবু ধাবিত হ'বলগীয়া ৰাইচিনা মধ্যপ্ৰাচ্যৰ উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ভ্ৰমণৰ সময়ছোৱাত আবু ধাবিত ভাৰতীয় দূতাবাসে আয়োজন কৰা ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ অনুষ্ঠানতো অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত তেওঁ ভাৰত আৰু ইউ এ ই-ৰ মাজত ক্ৰমবৰ্ধমান সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিশ্বব্যাপী শৃংখলাত উল্লেখযোগ্য পৰিৱৰ্তন ঘটিছে বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে এনে পৰিৱৰ্তনশীল সময়ৰ দুয়োখন দেশৰ মাজৰ সম্পৰ্কক শক্তিশালী কৰি তোলে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাৰত আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ মাজৰ মূল্যবোধ আৰু পাৰস্পৰিক বিশ্বাসৰ বিষয়েও উল্লেখ কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ আল নাহিয়ানৰ যৌথ দৃষ্টিভংগীয়ে উল্লেখযোগ্য মাইলৰ খুঁটি অৰ্জন কৰিছে বুলি প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাৰতীয় প্ৰব্ৰজনকাৰীসকলৰ তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে দায়বদ্ধতাৰ আশ্বাস দিয়ে আৰু ইউ এ ই চৰকাৰৰ সক্ৰিয়তাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। অনুষ্ঠানত সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ উপ-প্ৰধানমন্ত্ৰী, বৈদেশিক পৰিক্ৰমা মন্ত্ৰীসহ কেইবাগৰাকীও মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে।

ooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগমন্ত্ৰী পীয়ুষ গোৱেলে ওমানৰ বাণিজ্য উদ্যোগ আৰু বিনিয়োগ প্ৰসাৰ মন্ত্ৰী কাইছ বিন মহম্মদ আল ইউছুফৰ সৈতে উৎপাদনশীল বৈঠকেৰে ওমান ভ্ৰমণৰ আনুষ্ঠানিকতা আৰম্ভ কৰে। এই আলোচনাত বিস্তৃত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ বাবে আলোচনা আগবঢ়াই নিয়া, দ্বি-পাক্ষিক বাণিজ্য আৰু বিনিয়োগৰ সম্পৰ্ক শক্তিশালী কৰা, সহযোগিতাৰ নতুন চিনাক্ত কৰা আদি বিষয়ত গুৰুত্ব আৰোপ কৰে। শ্ৰীগোৱেলে আকাশবাণীৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰে যে পৰৱৰ্তী সময়ত যুটীয়া আয়োগৰ বৈঠকত এইসমূহ বিষয়ে আৰু অধিক গতি লাভ কৰিব। উল্লেখযোগ্য যে দুদিনীয়া কাৰ্যসূচীৰে মাস্কাটলৈ যোৱা মন্ত্ৰীগৰাকীয়ে আজি একাদশ যুটীয়া আয়োগৰ বৈঠকত অংশগ্ৰহণ কৰিব। ভ্ৰমণৰ সময়ছোৱাত দেশখনৰ সৈতে ভাৰতৰ বাণিজ্য আৰু বিনিয়োগৰ সম্পৰ্ক বৃদ্ধিৰ প্ৰতিশ্ৰুতিৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হ'ব। ২০২৩-২৪ বৰ্ষত দুয়োখন দেশৰ মাজত দ্বি-পাক্ষিক বাণিজ্য ৮ দশমিক ৯-৪ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি হোৱাৰ কথাই দেশ দুখনৰ মাজৰ অৰ্থনৈতিক সম্পৰ্কৰ গভীৰতাক প্ৰতিফলিত কৰে।

00000

কাইলৈ মৌনি অমাৱস্যা উপলক্ষে প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাত অংশগ্ৰহণ কৰা ভক্ত আৰু তীৰ্থযাত্ৰীসকলৰ বাবে স্বাস্থ্যসেৱাৰ বিশেষ ব্যৱস্থা কৰা হৈছে। আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি পেৰেড খেলপথাৰৰ কেন্দ্ৰীয় চিকিৎসালয়খন যিকোনো ধৰণৰ স্বাস্থ্যজনিত জৰুৰীকালীন অৱস্থাৰ সৈতে মোকাবিলা কৰিবলৈ সম্পূৰ্ণৰূপে সাজু কৰি তোলা হৈছে।

ইপিনে উত্তৰ প্ৰদেশ চৰকাৰে মৌনি অমাৱস্যাৰ পৰিপ্ৰেক্ষিতত প্ৰয়াগৰাজৰ সমগ্ৰ মহাকুম্ভ এলেকা যান-বাহন মুক্ত অঞ্চলৰূপে ঘোষণা কৰিছে। সম্ভাব্য জনসমাগম নিয়ন্ত্ৰণ কৰাৰ লগতে সু-পৰিচালনা নিশ্চিত কৰাৰ উদ্দেশ্যে চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

00000

লাওচত থকা ভাৰতীয় দূতাবাসে গোল্ডেন ট্ৰাইংগল স্পেচিয়েল ইকনমিক জ'নত থকা কেইবাটাও চাইবাৰ স্কেম কেন্দ্ৰৰ পৰা ৭৬ গৰাকী ভাৰতীয় যুৱক-যুৱতীক উদ্ধাৰ কৰিছে। দূতাবাসে এটা বিবৃতিযোগে এই যুৱক-যুৱতীসকলক আপৰাধিক চিণ্ডিকেটসমূহে ভয়-ভাবুকি আৰু প্ৰলোভনেৰে বিভিন্ন চাইবাৰ অপৰাধৰ সৈতে সংযুক্ত কৰিছিল বুলি প্ৰকাশ কৰিছে। তেওঁলোকৰ মাজৰে কিছুসংখ্যক যুৱক-যুৱতীয়ে সহায় বিচাৰি কৰা অনুৰোধত তাৎক্ষণিকভাৱে সঁহাৰি জনাই দূতাবাসৰ বিষয়াসকলে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে যত্নপৰ হয়। দূতাবাসৰ এটা দলে গোল্ডেন ট্ৰাইংগল স্পেচিয়েল ইকনমিক জ'নত উপস্থিত হৈ সংশ্লিষ্ট লাওচ প্ৰশাসনৰ বিষয়ববীয়াৰ সহযোগত প্ৰয়োজনীয় প্ৰপত্ৰসমূহৰ কাম সম্পাদন কৰি যুৱক-যুৱতীসকলক তাৰ পৰা ভিয়েনটিয়েনত থকা দূতাবাসলৈ স্থানান্তৰিত কৰাৰ ব্যৱস্থা কৰে। লাওচত থকা ভাৰতৰ ৰাষ্ট্ৰদূত প্ৰশান্ত অগ্ৰৱালে তেওঁলোকৰ সৈতে মিলিত হৈ তেওঁলোকৰ সুৰক্ষা সুনিশ্চিত কৰে।

00000

লালা ৰাজপত ৰায়ৰ ১৬০ সংখ্যক জন্ম বাৰ্ষিকীত সমগ্ৰ দেশে তেওঁক স্মৰণ কৰিছে। স্বদেশী আন্দোলনৰ ধ্বজাবাহক তথা মহান স্বাধীনতা সংগ্ৰামী গৰাকী আজিৰ দিনটোতে পাঞ্জাৱৰ ফৰিদকোট জিলাৰ ঢুডিকেত জন্ম হৈছিল। পাঞ্জাৱ কেশৰী ৰূপে জনাজাত লালা ৰাজপত ৰায়ৰ ১৯২৮ চনত আৰক্ষীৰ লাঠীচালনাত মূৰত পোৱা আঘাতৰ বাবে মৃত্যু হয়। লাহোৰত ছাইমন কমিছনৰ বিৰুদ্ধে শান্তিপূৰ্ণ প্ৰতিবাদী কাৰ্যসূচী এটাৰ নেতৃত্ব দিওঁতে তেওঁ আৰক্ষীৰ হাতত প্ৰহৃত হয়।

00000

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টি-টুৱেণ্টি শৃংখলাৰ তৃতীয়খন খেল আজি গুজৰাটৰ ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ৫ খনীয়া শৃংখলাত সূৰ্য কুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতৰ দলটো সম্প্ৰতি ২-০ৰ ব্যৱধানত আগবাঢ়ি আছে। কলকাতাত অনুষ্ঠিত শৃংখলাৰ প্ৰথম খেলখনত ভাৰতে ইংলেণ্ডক ৭ উইকেটত আৰু চেন্নাইত অনুষ্ঠিত দ্বিতীয়খন খেলত ২ উইকেটত পৰাস্ত কৰিছিল।

00000

আই চি চি-ৰ ১৯ বছৰ অনুৰ্ধ মহিলা টি-টুৱেণ্টি ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতাত যোৱাবাৰৰ বিজয়ী ভাৰত আজি ছুপাৰ ছিক্স পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰত ইতিমধ্যে ছেমি ফাইনেলত স্থান নিশ্চিত কৰাৰ পৰিপ্ৰেক্ষিতত মালয়েছিয়াৰ কুৱালালামপুৰৰ বায়ুএমাছ অভেলত

অনুষ্ঠিত হ'বলগীয়া আজিৰ খেলখন গুৰুত্বহীন হিচাপে বিবেচিত হৈছে। ভাৰতৰ লগতে অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা আৰু ইংলেণ্ড ইতিমধ্যে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

সমাপ্ত